# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 10-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

ৰাজ্যিক মন্ত্ৰীসভাই আশা কৰ্মী আৰু আশা নিৰীক্ষকসকলৰ মাননী বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি পহিলা অক্টোবৰৰ পৰা আশাকৰ্মীসকলে ৪ হাজাৰ আৰু আশা নিৰীক্ষকসকলে ১০ হাজাৰ ২০০ টকা মাহেকীয়া মাননী লাভ কৰিব। মন্ত্ৰীসভাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত এহেজাৰ ১১ টা অব্যক্তিগত ন্যায়িক অনুষ্ঠানৰ সপক্ষে নিষ্পত্তিৰে হোৱা ভূমি আৱণ্টনত অনুমোদন জনাইছে। মন্ত্ৰীসভাই ১৪৬ টা চৰকাৰী শিক্ষা প্ৰতিষ্ঠান, কাৰ্যালয়, স্বাস্থ্য প্ৰতিষ্ঠান, অঙ্গনবাড়ী কেন্দ্ৰ আৰু অন্যান্য চৰকাৰী আন্তঃগাথনি প্ৰকল্পৰ বাবে চৰকাৰী ভূমি আৱণ্টনতো অনুমোদন দিছে। মন্ত্ৰীসভাই প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমক, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱতো অনুমোদন জনাইছে।

০০০০

বৰাক উপত্যকাৰ বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিশপুৰৰ লোকসেৱা ভৱনত মন্ত্ৰী, বিধায়ক তথা বৰাক উপত্যকা উন্নয়ন বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰাক উপত্যকাৰ আৰ্থসামাজিক আৰু কৌশলগত দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ সামগ্ৰিক বিকাশৰ বাবে উমৈহতীয়া উন্নয়ন লক্ষ্যৰ পোষকতা কৰে। তেওঁ লগতে বৰাক উপত্যকাত চলি থকা উন্নয়নমূলক প্ৰকল্পসমূহৰ নিৰ্ধাৰিত সময়ত সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বৰ্তমান ৰাজ্য চৰকাৰে বৰাক উপত্যকাৰ তিনিওখন জিলাৰ জনসাধাৰণৰ সমানে উপকৃত কৰিব পৰা পৰিকল্পনাৰ কথা চিন্তা চৰ্চা কৰি আছে। বৰাক উপত্যকাৰ জনসাধাৰণৰ বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে চৰকাৰে দিল্লীৰ লগতে কলকাতাতো বৰাক উপত্যকা ভৱন স্থাপনৰ বাবে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে উপত্যকাটোৰ জিলাকেইখনত সকলো অসামৰিক চিকিৎসালয়ত এম আৰ আই সুবিধা আৰম্ভ কৰাৰ বাবে নিৰ্দেশ দিয়ে। বৈঠকত কাচাৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰয়, পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল আৰু বৰাক উপত্যকাৰ বিধায়কসকল উপস্থিত থাকে।

০০০০

উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ, নগাঁও, মৰিগাঁও, যোৰহাট, হোজাই, লখিমপুৰ, বাক্সাকে ধৰি প্ৰায়বোৰ জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি কৰাৰ বাবে বিদ্যালয়সমূহৰ পৰিদৰ্শকে নিৰ্দেশ জাৰি কৰিছে। বিটিচি শিক্ষা সঞ্চালকৰ কাৰ্যালয়ো বিটিচিৰ অধীনৰ প্ৰাদেশীক আৰু ব্যক্তিগত বিদ্যালয়সমূহৰ বাবে একেধৰণৰ নিৰ্দেশনা জাৰি কৰিছে।

এই অনুসৰি কাইলৈৰ পৰা নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা চাৰে ১১ বজালৈ, মধ্য ইংৰাজী বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ আৰু উচ্চ আৰু উচ্চতৰ মাধ্যমিক

বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ কৰা হ'ব। বিদ্যালয়সমূহক লগতে প্ৰাতঃসভা শ্ৰেণীকোঠাৰ ভিতৰত অথবা ছাঁ পৰা স্থানত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত থকা সময়ছোৱাত পৰ্যাপ্ত পৰিমাণে পানী খোৱাটো নিশ্চিত কৰাৰ বাবে বিদ্যালয়ৰ প্ৰাংগণত খোৱাপানীৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশটোত উল্লেখ কৰা হৈছে। বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত যাতে ভালদৰে বতাহ চলাচল কৰিব পাৰে আৰু সকলো বৈদ্যুতিক ফেন কাৰ্যক্ষম হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০

আৰক্ষীয়ে কাচাৰ জিলাৰ পৰা ৪৫ কোটি টকা মূল্যৰ মাদক দ্ৰব্য উদ্ধাৰ কৰিছে আৰু নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ অভিযোগত ৪ জন লোকক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে সদৰি কৰি কৈছে যে কাচাৰ আৰক্ষীয়ে দুটা তালাচী অভিযানত প্ৰায় ডেৰ লাখ য়াবা টেবলেট উদ্ধাৰ কৰিছে।

০০০০

মণিপুৰৰ ৫ খন উপত্যকা জিলাত কাইলৈৰ পৰা পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ ১২ ঘণ্টাৰ বাবে সান্ধ্য আইন শিথিল কৰি দিয়া হৈছে। অৱশ্যে ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱাৰ ক্ষেত্ৰত এই ৫ খন জিলাত আৰোপ কৰা নিষেধাজ্ঞা অব্যাহত থাকিব। উল্লেখযোগ্য যে ইম্ফল পশ্চিম, ইম্ফল পূৱ, থৌবাল, কাকচিং আৰু বিষ্ণুপুৰ জিলাত হোৱা ব্যাপক প্ৰতিবাদৰ বাবে যোৱা শনিবাৰে সান্ধ্য আইন জাৰি কৰা হৈছিল।

০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ আঁচনিৰ অধীনত ৬২৩ গৰাকী দিব্যাংগ হিতাধিকাৰীৰ মাজত ৩ হাজাৰ ৫৩৩ বিধ সা-সঁজুলি বিতৰণ কৰে। ভাৰতীয় কৃত্ৰিম অংগ উৎপাদন নিগমৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত সামাজিক অধিকাৰিতা শিবিৰত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে কয়, যে নিজৰ অক্ষমতাৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ পৰিৱৰ্তে সক্ষম দিশসমূহত মনোনিৱেশ কৰিলে সফলতা লাভ কৰিব পাৰি।

০০০০

সমাপ্ত